**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

০০০০০০

১। বিটিচি পৰিষদীয় নিৰ্বাচনৰ মনোনয়নৰ আজি অন্তিম দিন। কালি কেইবাগৰাকীও প্ৰাৰ্থীৰ মনোনয়ন দাখিল।
২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি অনুষ্ঠান।
৩। ভাৰতীয় সামুদ্ৰিক সপ্তাহৰ সৈতে সংগতি ৰাখি গুৱাহাটীত আজি আয়োজিত ৰোড শ্ব'ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশগ্ৰহণ।
৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ দিন ঘোষণা। **আৰু**
৫। নতুন দিল্লীত অহা বছৰৰ আগষ্টত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছ অনুষ্ঠিত কৰা হ'ব বুলি বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেচনৰ ঘোষণা।

০০০০০০

সমাগত বিটিচি নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিন। কালি বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। **কোকৰাঝাৰ** জিলাৰ ১২ টা সমষ্টিৰ বাবে কালি ২৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইউ পি পি এল, বি পি এফ আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীকেইগৰাকীয়ে কালি মনোনয়ন জমা দিয়ে। ইয়াৰ ভিতৰত কোকৰাঝাৰত ৯ গৰাকী, গোসাইগাঁৱৰ ৫ টা সমষ্টিত ১৮ গৰাকী আৰু পৰ্বতঝোৰাত দুগৰাকীয়ে মনোনয়ন দাখিল কৰে। জিলাখনত কালি বি টি চি নিৰ্বাচনৰ বাবে ইউ পি পি এল দলে তৃতীয়খন প্ৰাৰ্থীৰ তালিকাও ঘোষমা কৰে। ইউ পি পি এলৰ সভাপতি তথা বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই নিৰ্বাচন সন্দৰ্ভত এইদৰে কয় –

বাইট

চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, বি টি চিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী আৰু কাৰ্যবাহী সদস্য চাইখং বসুমতাৰীয়ে ইউ পি পি এল দলৰ হৈ মনোনয়ন পত্ৰ দাখিল কৰে। চিৰাঙত বি পি এফৰ জ্যেষ্ঠ নেতা আৰু সভাপতি হাগ্ৰামা মহিলাৰীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ৭টা পৰিষদীয় সমষ্টিত কালি ১৫গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। বি পি এফৰ সভাপতিগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে –

বাইট

**বাক্সা** জিলাত ১০ গৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত ইউ পি পি এল, জি এছ পি, অবড়ো সুৰক্ষা সমিতি, ভি পি আই আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন জমা দিয়ে। দিহিৰা পৰিষদীয় সমষ্টিত গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী হিচাপে ঘনশ্যাম দাসে বাক্সা জিলাৰ আয়ুক্তৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। গয়বাৰী সমষ্টিত ইউ পি পি এলৰ হৈ প্ৰমোদ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। **তামুলপুৰ**ৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিলৰ পাছত বি টি আৰৰ প্ৰধানগৰাকীয়ে বি টি আৰ অঞ্চলৰ ৩৫ লাখ জনসাধাৰণৰ

আশীৰ্বাদ লৈ তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে বুলি দাবী কৰে। জিলাখনৰ পাঁচটা সমষ্টিত ২০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। এই সন্দৰ্ভত এয়া তামুলপুৰৰ সংবাদদাতা নয়নজ্যোতি দাস–

বাইট

ওদালগুৰি জিলাত কালি ১৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

২২ ছেপ্তেম্বৰত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে আটাইকেইটা ৰাজনৈতিক দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। কালি ৰাইজৰ দল আৰু এ আই ইউ ডি এফ দলেও প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। ইপিনে, প্ৰতিটো ৰাজনৈতিক দলে বি টি আৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই জিলাত তিনিটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেল পথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছত তেওঁ ডবকাত আন এটা কাৰ্যসূচীত উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে হোজাইৰ সাগৰবস্তিৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব। বিশ্ববিদ্যালয়ৰ ছাৰ জগদীশ চন্দ্ৰ বসু চৌহদ মুকলি কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষেও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ৫৭ কোটি ৩৪ লাখ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চৌহদত উপাচাৰ্যৰ কাৰ্যালয়, প্ৰশাসনিক কাৰ্যালয়, ডিজিটেল শ্ৰেণীকোঠা, গৱেষণা আৰু গৱেষক কক্ষ, সন্মিলন কক্ষ, ফেকাল্টি কক্ষ, কম্পিউটাৰ লেব'ৰেটৰী, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীকোঠা আদি থকাৰ লগতে উদ্যানশস্য আদিৰো ব্যৱস্থা আছে। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ৱাটাৰ ভয়েজ নৰ্থ-ইষ্ট শীৰ্ষক এই ৰোড শ্ব' আয়োজনৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ ব্যৱহাৰ পৰ্যটন খণ্ডৰ প্ৰসাৰৰ দিহা কৰা হ'ব। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জল পৰিবহণ খণ্ডৰ বিকাশৰ অংশীদাৰ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণৰ দিন ঘোষণা কৰিছে। কালি জাৰি কৰা অধিসূচনা অনুসৰি শিক্ষাৰ্থীসকলে অহা ৪ অক্টোবৰলৈ অনলাইন প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। একেদৰে শিক্ষাৰ্থীসকলে ১০ অক্টোবৰলৈকে অনলাইন মাচুল জমা দিয়াৰ লগতে চালান সংগ্ৰহ কৰিব পাৰিব। ষ্টেট বেংক অৱ ইণ্ডিয়াত চালানযোগে মাচুল জমা দিয়াৰ অন্তিম তাৰিখ ১৫ অক্টোবৰ। প্ৰ-পত্ৰত কিবা আঁসোৱাহ থাকিলে ২০ অক্টোবৰলৈকে শুধৰণি কৰিব পাৰিব। উল্লেখযোগ্য যে বিদ্যালয় শিক্ষা পৰিষদে পৰীক্ষাৰ্থীসকলৰ বাবে পৰীক্ষা মাচুল ৮০০ টকা, ব্যৱহাৰিক পৰীক্ষা মাচুল ৫০ টকা আৰু কেন্দ্ৰ মাচুল ৩৫০ টকা নিৰ্ধাৰণ কৰিছে।

০০০০০০

অসম-নাগালেণ্ডৰ মেৰাপানী সীমাত নাগালেণ্ড প্ৰশাসনে অসমীয়া লোকৰ প্ৰৱেশক লৈ জাৰি কৰা জাননী সন্দৰ্ভত শেহতীয়াকৈ নগা ভিলেজ কাউন্সিল আৰু অসমৰ গাঁওপ্ৰধানৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অসমৰ সীমাৱৰ্তী অঞ্চলৰ ১৭ খন গাঁৱৰ গাঁওপ্ৰধান, দৈয়াং গাঁওবুঢ়া সন্থাৰ সভাপতি সম্পাদক আৰু নাগালেণ্ডৰ ভাণ্ডাৰী মহকুমাৰ ১১ গৰাকী ভিলেজ কাউন্সিলে অংশগ্ৰহণ কৰে। মেৰাপানীৰ বালিগুৰিত অনুষ্ঠিত এই সভাত নগা ভিলেজ কাউন্সিলে অসমীয়া লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত বিহা জৰিমনা প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি অসমীয়া

লোকে নাগালেণ্ডত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত আন্তঃৰাজিক পাৰপত্ৰ বা নগা ভিলেজ কাউন্সিলৰ অনুমতি লোৱাৰ বিষয়তে নগাই হস্তক্ষেপ নকৰে বুলি বৈঠকত প্ৰকাশ কৰে। দুয়োখন ৰাজ্যৰ মাজত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ বাবে সকলোৰে সহযোগিতা আগবঢ়োৱাৰ বাবেও সভাত সিদ্ধান্ত লোৱা হয়।

০০০০০০

গোৱালপাৰা জিলাৰ মাটিয়া থানাৰ অন্তৰ্গত কদমতোলা গোপালপুৰত কালি নিশা আৰক্ষীৰ গুলীত এজন ডকাইত আহত হয়। আহত ডকাইতজনক ৰাজিবুল আলী বুলি চিনাক্ত কৰা হৈছে। শুকুৰবাৰে নিশা টিপলাইট সংঘটিত ডকাইতিৰ ঘটনাত ৰাজিবুল আলী জড়িত আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আনহাতে টিপলাইট হোৱা ডকাইতি ঘটনাত জড়িত ৰাহুল কোচ, অপূৰ্ব ৰাভা আৰু অবিনাশ ৰাভা নামৰ আন তিনিজন ডকাইতকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। এই তিনিজন ডকাইতৰ স্বীকাৰোক্তিৰ ভিত্তিত কালি নিশা আৰক্ষীয়ে ৰাজিবুল আলীক গ্ৰেপ্তাৰ কৰে। ডকাইতৰ দলটোৱে জংঘলত লুকাই থোৱা আ-অলংকাৰ উদ্ধাৰৰ বাবে আৰক্ষীয়ে ৰাজিবুলক লৈ যোৱা অৱস্থাত তেওঁ আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰিছিল।

০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আই চি ইউৰ বেডৰ পৰা পৰি এটি নৱজাতকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্যবিজ্ঞান বিশ্ববিদ্যালয়ে সেই সময়ত দায়িত্বত থকা দুগৰাকী চিকিৎসকক ছমাহৰ বাবে নিলম্বন কৰিছে। চৰকাৰে ঘটনাটোৰ তদন্তৰ বাবে গঠন কৰি দিয়া সমিতিয়ে দিয়া প্ৰতিবেদনৰ ভিত্তিত ডাঃ ঋষিকেষ ঠাকুৰীয়া আৰু ডাঃ পূজাক নিলম্বনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দুয়োগৰাকী চিকিৎসকে তদন্ত সমিতিক বিপথে পৰিচালিত কৰাৰ লগতে চিকিৎসালয়ৰ তথ্য লুকুৱাৰ অভিযোগ উঠিছিল।

০০০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আজি গুৱাহাটীত এখন কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত হ'বলগীয়া এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে দেশৰ বিভিন্ন প্ৰান্তত বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ দিহা কৰি আহিছে। এই পৰিষদ দেশৰ বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত মানৰ উন্নয়নৰ প্ৰতি দায়বদ্ধ।

০০০০০০

নতুন দিল্লীত অহা বছৰৰ আগষ্টত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছ অনুষ্ঠিত হ'ব। পেৰিছত অনুষ্ঠিত চলিত বৰ্ষৰ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছৰ সামৰণি অনুষ্ঠানত কালি বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেচন, বি ডব্লিউ এফে এই সিদ্ধান্ত সদৰি কৰে। ২০০৯ চনত হায়দৰাবাদত ভাৰতে অন্তিমবাৰৰ বাবে এই আগশাৰীৰ প্ৰতিযোগিতাখনৰ আয়োজন কৰিছিল। চাৰি বছৰৰ বিৰতিৰ অন্তত অহা বছৰ এছিয়াত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছত তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে এটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৫টা পদক দখল কৰি দেশৰ আটাইতকৈ সফল খেলুৱৈ হিচাপে পৰিগণিত হৈছে। কোপেনহেগেনত অনুষ্ঠিত প্ৰতিযোগিতাখনত ভাৰতৰ প্ৰকাশ পাডুকনে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। লণ্ডনত ২০১১ চনত জালা গুট্টা আৰু অশ্বিনী পোনাপ্পাই দেশলৈ সন্মান কঢ়িয়াই আনিছিল। প্ৰতিযোগিতাখনৰ শেহতীয়া সংস্কৰণত পুৰুষৰ ডাবলছত স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। আগশাৰীৰ খেলুৱৈ এইচ এচ প্ৰণয়ে ২০২৩ চনত প্ৰতিযোগিতাখনত পুৰুষৰ ছিংগলছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে কাইলৈ অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হ'ব। এই দিৱসৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি কালি ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত এখন সংবাদমেলত আয়োজক সংস্থাৰ অধ্যক্ষ বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে প্ৰকাশ কৰে। এই অনুসৰি দিৱসৰ মূল কাৰ্যসূচী – সামুহিক দৌৰ এইবাৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈ ভেটাপাৰা হকী ষ্টেডিয়াম পৰিভ্ৰমণ কৰি পুনৰ সৰুসজাইৰ মূল এথলেটিক ষ্টেডিয়ামত সামৰণি পৰিব। এই কাৰ্যসূচীত কেইবাগৰাকীও যশস্বী ক্ৰীড়াবিদ উপস্থিত থাকিব বুলি সংবাদমেলত প্ৰকাশ কৰা হয়।

০০০০০০

চীনৰ টিয়ানজিনত এছ চি অ' সন্মিলনত পেহেলগামৰ আক্ৰমণৰ ঘটনাক ধিক্কাৰ দিয়া হৈছে। **অসমীয়া প্ৰতিদিন** কাকতৰ লগতে **আমাৰ অসম, দৈনিক জনমভূমি** আদি কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

ষষ্ঠ অনুসূচীৰ অন্তৰ্গত ডিমা হাচাওৰ তিনি হাজাৰ বিঘা ভূমি ব্যক্তিগত চিমেণ্ট কোম্পানীয়ে ক্ৰয় কৰাক লৈ গুৱাহাটী উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে প্ৰশ্ন উত্থাপন কৰিছে। এই বাতৰি **আমাৰ অসম, দৈনিক অগ্ৰদূত** আদি কাকতে প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে আফগানিস্তানৰ ভূমিকম্পৰ বাতৰি প্ৰকাশ কৰিছে। এই ভূমিকম্পত ৮০০ লোকৰ মৃত্যু হোৱাৰ লগতে দুহেজাৰ ৫০০তকৈও অধিক লোক আহত হৈছে। বাতৰিটো অন্যান্য কাকতসমূহেও প্ৰকাশ কৰিছে।

ক্ৰমাৎ মুখৰ হৈ পৰিছে বি টি চিৰ নিৰ্বাচনী বতাহ। নিজ নিজ দলৰ প্ৰাৰ্থী জয়ী হোৱাৰ দাবী নেতৃত্বৰ। **দৈনিক অগ্ৰদূত** কাকতে বি টি চিৰ নিৰ্বাচনী বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত চলি থকা ড্ৰাগছৰ ভয়ংকৰ বেহা সন্দৰ্ভত **অসমীয়া খবৰ** কাকতে বাতৰি প্ৰকাশ কৰিছে। বৰাকত সৰ্বাংগীন উন্নয়নৰ সপোন বাস্তৱ কৰাত নাৰীসকল প্ৰধান চালিকা শক্তি হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্যৰে **দৈনিক জনমভূমি** কাকতে বাতৰি প্ৰকাশ কৰিছে।

অসমৰ চাহ উদ্যোগ বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

দুখীয়া মধ্যবিত্তক সকলো সহায় কৰিবলৈ চৰকাৰ সাজু আছে বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি শিলচৰৰ জনসভাত উল্লেখ কৰে। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

নিষিদ্ধ ড্ৰাগছ সেৱন কৰি মৃত্যুমুখত পৰা পম্পী বৰুৱা বিভিন্ন অনৈতিক কাৰ্যকলাপত জড়িত আছিল। এই সন্দৰ্ভত **নিয়মীয়া বাৰ্তা** কাকতে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ – এই তিনিটা নম্বৰৰ যিকোনো এটা নম্বৰলৈ হোৱাট্ছএপযোগে পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু শ্ৰেষ্ঠ বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত